# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

- - - - - - - - - - - - - - -

১। বিশিষ্ট কবি সমীৰ তাঁতীলৈ **ফৰিংবোৰে বাটৰ কথা জানে** কাব্যগ্ৰন্থৰ বাবে অসমীয়া ভাষাত এই বছৰৰ সাহিত্য একাডেমী বঁটা।

২। বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি ভিন ভিন জিলাত প্ৰজ্ঞান ভাৰতীকে ধৰি কেইবাখনো আঁচনিৰ ৰূপায়ণ।

৩। ২০০৮ চনৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ মূল অভিযুক্ত ৰঞ্জন দৈমাৰীৰ জামিন আবেদন উচ্চতম ন্যায়ালয়ৰ নাকচ।

৪। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ডিচেম্বৰ মাহৰ ভিতৰত প্ৰাক্-চূড়ান্ত পৰীক্ষা।

**আৰু**

৫। ২১ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ জয়পুৰত হ'বলগীয়া বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে অসম দলৰ নাম ঘোষণা।

ooooo

বিশিষ্ট কবি সমীৰ তাঁতীলৈ এই বছৰৰ সন্মানজনক সাহিত্য একাডেমী বঁটা আগবঢ়োৱা হৈছে। সাহিত্য একাডেমীয়ে আজি নতুন দিল্লীত ঘোষণা কৰা ২১টা ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাত **ফৰিংবোৰে বাটৰ কথা জানে** কাব্যগ্ৰন্থৰ বাবে সমীৰ তাঁতীক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। বড়ো ভাষাৰ ঔপন্যাসিক অৰণ ৰাজাক এই বছৰৰ সাহিত্য একাডেমীৰ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। হাউবাম সত্যৱতী দেৱীক তেওঁৰ কাব্য সংকলনৰ বাবে মণিপুৰী ভাষাত এই বছৰৰ সাহিত্য একাডেমী বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

১৯৫৫ চনৰ ৬ ফেব্ৰুৱাৰীত গোলাঘাট জিলাৰ বোকাখাটৰ সমীপৰ বিহুৱা চাহ বাগিচাত জন্মগ্ৰহণ কৰা সমীৰ তাঁতীয়ে দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। আধুনিক অসমীয়া কবিসকলৰ ভিতৰত অন্যতম প্ৰগতিশীল আৰু মানৱতাবাদী কবি হিচাপে পৰিচিত সমীৰ তাঁতীৰ এতিয়ালৈকে মুঠ ১৪ খন কাব্য সংকলন প্ৰকাশিত হৈছে। ইয়াৰ উপৰিও **জাপানী প্ৰেমৰ কবিতা** আৰু আলজেৰিয়াৰ বিখ্যাত কবি আলবেয়াৰ কেমুৰ কবিতাৰ সংকলনৰ অসমীয়া অনুবাদ হৈছে তেওঁৰ অন্যতম সাহিত্য কৃতি। ২০১২ চনত তেওঁক মেগৰ সাহিত্য ন্যাসৰ সন্মানজনক অসম উপত্যকা সাহিত্য বঁটাৰে সন্মানিত কৰা হয়। **যুদ্ধভূমিৰ কবিতা, আনন্দ আৰু বেদনাৰ বৈভৱ, অত্যাচাৰৰ টোকাবহী, সময়-শব্দ-সপোন, শোকাকূল উপত্যকা, বিগলিত প্ৰাৰ্থনা** আদি হৈছে তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন। এই বঁটাই তেওঁক উৎসাহিত কৰিছে আৰু নতুন সৃষ্টিৰ বাবে তেওঁক অনুপ্ৰাণিত কৰিব বুলি কবিগৰাকীয়ে তেওঁৰ অনুভৱ ব্যক্ত কৰে।

**বাইট (সমীৰ তাঁতী)**

বড়ো ঔপন্যাসিক অৰণ ৰাজাই তেওঁৰ **চৌৰণি থাকাই** অৰ্থাৎ কাৰ বাবে নামৰ উপন্যাসখনৰ বাবে এইবছৰৰ সাহিত্য একাডেমী বঁটা লাভ কৰিছে। ইতিপূৰ্বে অৰণ ৰাজাৰ কেইবাখনো উপন্যাসে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিছে। চিৰাং জিলাৰ চতিয়ানগুৰি গাঁৱৰ বৃত্তিত শিক্ষক অৰণ ৰাজাৰ এই সাফল্যই অঞ্চলটোৰ জনসাধাৰণক উৎসাহিত কৰি তুলিছে বুলি আমাৰ কাজলগাঁৱৰ সংবাদদাতাই জনাইছে।

oooooo

বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি চিৰাং, ধুবুৰী, কাৰ্বি আংলং, মাজুলী, শিৱসাগৰ, দক্ষিণ শালমাৰা আৰু ওদালগুৰি জিলাত প্ৰজ্ঞান ভাৰতীকে ধৰি কেইবাখনো আঁচনি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে ৰূপায়ণ কৰে।

**চিৰাং** জিলাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনিৰ অধীনত ৫২৩ গৰাকী মহিলাক ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। তেওঁ লগতে আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ১২ গৰাকী মহিলাৰ মাজত প্ৰাৰম্ভিক মূলধন বিতৰণ কৰে।

**কাৰ্বি আংলং** জিলাৰ ডিফুৰ তাৰালাংছ'ত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ২৭৪ গৰাকী কৃতি শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটাৰ চেক বিতৰণ কৰাৰ লগতে ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা

বঁটা হিচাপে স্কুটী আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ৫ হাজাৰ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

**দক্ষিণ শালমাৰাৰ মানকাচৰ** জিলাত জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই এই উপলক্ষে আয়োজিত কাৰ্যসূচীত ৭ হাজাৰ ৪৫২টা বানত ক্ষতিগ্ৰস্ত পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ৪১টা আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত প্ৰাৰম্ভিক মূলধন বিতৰণ কৰে।

**শিৱসাগৰ** জিলাত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত এহেজাৰ ৭৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুটী বিতৰণ কৰাৰ লগতে এহেজাৰ ১৪১ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটাৰ পুৰস্কাৰ প্ৰদান কৰে। একেটা অনুষ্ঠানতে শ্ৰীপেগুৱে মুখ্যমন্ত্ৰী বিকাশ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ৭ হাজাৰ ২৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

**মাজুলীত** বিকাশৰ ১২ দিনৰ অনুষ্ঠানত মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীসকলৰ মাজত বিভিন্ন বঁটা তথা আৰ্থিক সাহায্য বিতৰণ কৰে।

**ধুবুৰী** জিলাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত অংশ লৈ মন্ত্ৰী অতুল বৰাই কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা আৰু উন্নতিৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণ কৰিছে। চৰকাৰে গুণগত শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৰাই আজি জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ড০ বাণীকান্ত কাকতি বঁটাকে ধৰি অন্যান্য বঁটাসমূহ প্ৰদান কৰে।

ooooo

উচ্চতম ন্যায়ালয়ে ২০০৮ চনৰ ৩০ অক্টোবৰত ধাৰাবাহিক বোমা বিস্ফোৰণৰ গোচৰৰ মূল অভিযুক্ত এন ডি এফ বিৰ মুৰব্বী ৰঞ্জন দৈমাৰীৰ জামিন আবেদন অগ্ৰাহ্য কৰিছে। ন্যায়ালয়ে আজডি গোচৰৰ বৰ্তমানৰ স্থিতিলৈ চাই দৈমাৰীৰ আবেদন অগ্ৰাহ্য কৰে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে ২০২৫ বৰ্ষৰ শেষ ভাগলৈ মূল গোচৰটোৰ শুনানি অনুষ্ঠিত হ'ব বুলি স্পষ্ট কৰি দিয়ে। উল্লেখযোগ্য যে এখন বিশেষ আদালতে ৮৮গৰাকী নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা ২০০৮ চনৰ বোমা বিস্ফোৰণৰ সংক্ৰান্তত ৰঞ্জন দৈমাৰী আৰু আন ৯জনক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। পাছত গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈমাৰীক প্ৰদান কৰা যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় বাহাল ৰাখিছিল। ইয়াৰ পাছতে দৈমাৰী উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ডিচেম্বৰ মাহৰ ভিতৰত প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সকলো অনুমতিপ্ৰাপ্ত আৰু স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানত এই প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। পৰিষদৰ সচিবে আজি জাৰি কৰা নিৰ্দেশনা অনুসৰি সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে এই পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু সকলো শিক্ষানুষ্ঠানে বাধ্যতামূলকভাৱে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নম্বৰ সুৰক্ষিত ৰাখিব লাগিব। পাছত সেয়া পৰিষদৰ মাৰ্ক্স এণ্ট্ৰি পোৰ্টেলত অন্তৰ্ভুক্ত কৰিব লাগিব।

ooooo

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ আহ্বানত দলটোৰ সদস্যসকলে দেশজুৰি পালন কৰা **ৰাজভৱন চলো** কাৰ্যসূচীৰ অংশ হিচাপে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সদস্যসকলেও আজি গুৱাহাটীত ৰাজভৱন চলো প্ৰতিবাদ সাব্যস্ত কৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰা এই কাৰ্যসূচীক বাধা দিবলৈ আৰক্ষীয়ে ৰাজভৱনৰ প্ৰৱেশদ্বাৰৰ সন্মুখত বেষ্টনী গঢ়ি তোলে। এই বেষ্টনী পাৰ হৈ যাবলৈ চেষ্টা কৰা প্ৰতিবাদকাৰীসকলক আৰক্ষীয়ে বাধা দিয়ে। আৰক্ষীয়ে প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়াবলৈ চলোৱা চেষ্টাৰ সময়ত মৃদুল ইছলাম নামৰ এজন কংগ্ৰেছ কৰ্মী আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। এই ঘটনা সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি আবেলি লতাশিল আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰখনত আৰক্ষীৰ কন্দুৱা গেছ প্ৰয়োগৰ ফলতেই মৃদুল ইছলামৰ মৃত্যু হয় বুলি কংগ্ৰেছ দলে অভিযোগ কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই এই ঘটনা সন্দৰ্ভত কয়, যে আজি কংগ্ৰেছৰ প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ তিনিটাকৈ আবেষ্টনী ভেদ কৰি ৰাজভৱনত প্ৰৱেশৰ চেষ্টা কৰে। ব্ৰহ্মপুত্ৰ অতিথিশালাৰ ৰ'টাৰিত অৱস্থানৰত দ্বিতীয় আবেষ্টনী পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়ত আৰক্ষীয়ে পকী ৰাস্তাত প্ৰতিবাদকাৰীসকলৰ মাজলৈ কন্দুৱা গেছৰ গোলা চলাই দিবলৈ বাধ্য হয়। আৰক্ষীয়ে কন্দুৱা গেছৰ বন্দুকেৰে গোলা নিক্ষেপ কৰা নাছিল বুলি শ্ৰীবৰাই জানিবলৈ দিয়ে। হাস্পতালত মৃত্যু হোৱা লোকজন ঘটনাস্থলীৰ পৰা গৈ বাহনত পানী খোৱা অৱস্থাত সংজ্ঞাহীন হৈ পৰিছিল বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

ooooo

গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অহা ২৭ ডিচেম্বৰৰ পৰা ৭ জানুৱাৰীলৈ হ'বলগীয়া অসম গ্ৰন্থমেলাৰ আজি লাইখুঁটা স্থাপন কৰা হয়। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাৰ যৌথ উদ্যোগত আয়োজন কৰা গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই গ্ৰন্থমেলাসমূহে ৰাজ্যত গ্ৰন্থ আন্দোলনৰ জৰিয়তে অধ্যয়নৰ পৰিৱেশ গঢ়ি তুলিছে বুলি মন্তব্য কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি উচ্চ শিক্ষা

বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে কয়, যে অসম গ্ৰন্থমেলাই বিদ্যায়তনিক ক্ষেত্ৰত গভীৰ প্ৰভাৱ পেলাইছে। আজিৰ অনুষ্ঠানত ছিপাঝাৰ শিল্পীৰ এটা দলে সুকন্নানী ওজাপালি আৰু লুটুমা দিহানামৰ দলে নাম পৰিৱেশন কৰে। প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই গ্ৰন্থমেলাক সাফল্যমণ্ডিত কৰি তুলিবলৈ লেখক, প্ৰকাশক তথা পঢ়ুৱৈসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০

ৰাজ্যত ২০১৯ চনৰ পৰা মুঠ ২৫ হাজাৰ ২৪৭গৰাকী বৃক্ক ৰোগীয়ে বিনামূলীয়াকৈ ডায়েলেছিছৰ সুবিধা লাভ কৰিছে। এই ৰোগীসকলক বৰ্তমানলৈকে ৭ লাখ ৪৫ হাজাৰৰো অধিক বাৰ ডায়েলেছিছ্ কৰা হৈছে। চৰকাৰে বৰ্ধিত ডায়েলেছিছ্ ৰোগীৰ সংখ্যালৈ চাই বিভিন্ন অসামৰিক চিকিৎসালয়ত ডায়েলেছিছ্ সেৱাও আৰম্ভ কৰিছে। বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি অভয়াপুৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত এপ'ল' মেনেজমেণ্টৰ সহযোগত স্থাপন কৰা এটা ডায়েলেছিছ্ কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰি এই কথা প্ৰকাশ কৰে। এই কেন্দ্ৰটোত প্ৰতি দিন ৯ গৰাকীকে ব্যক্তিয়ে ডায়েলেছিছ্ কৰিব পাৰিব।

০০০০০০

ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ অধ্যক্ষতাত আজি জনতা ভৱনত এখন বিভাগীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত অটল পুনৰুজ্জীৱিতকৰণ আৰু নগৰ ৰূপান্তৰ অভিযান, স্বচ্ছ ভাৰত অভিযান নগৰীয়া, অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদ আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰীয়াৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইৰ বিশেষ আদালতে  অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰি সংক্ৰান্তত কালি নতুন দিল্লীৰ পৰা চন্দ্ৰালিকা মেধি নামৰ মহিলাগৰাকীক তিনি দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰিছে। চি বি আয়ে অভিযুক্ত মহিলাগৰাকীক সোধা-পোচা কৰাৰ বাবে পাঁচ দিনৰ জিম্মাত বিচাৰিছিল। চন্দ্ৰালিকা মেধি অনলাইন ট্ৰেডিং কেলেংকাৰি সংক্ৰান্তত চি বি আয়ে পূৰ্বতে গ্ৰেপ্তাৰ কৰা মিণ্টু দাসৰ পত্নী।

০০০০০

যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত আজি পৰিৱেশ সুৰক্ষা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত বিশিষ্ট সমাজকৰ্মী জগন্নাথ অগ্নি বৰা আৰু প্ৰকৃতিবিদ শান্তা শৰ্মাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সুৰক্ষাৰ বিভিন্ন দিশ সন্দৰ্ভত অৱগত কৰে। এই সজাগতা সভাৰ লগত সংগতি ৰাখি বিদ্যালয় চৌহদত কেইবাজোপাও অৰ্কিড ৰোপণ কৰা হয়।

০০০০০

শ্ৰীভূমিৰ মালেগড় টিলাত চিপাহী বিদ্ৰোহৰ স্মৃতিত আজি ছহিদ দিৱস পালন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত সীমান্ত সুৰক্ষা বলৰ সহযোগত চিপাহী বিদ্ৰোহৰ ছহিদসকলক স্মৰণ কৰা হয়। মালেগড় টিলাত থকা ছহিদ বেদীত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু সীমান্ত সুৰক্ষা বলৰ জোৱানসকলে গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰে। অনুষ্ঠানটোত সৰ্বধৰ্ম প্ৰাৰ্থনাও কৰা হয়।

০০০০০

মাজুলী জিলাৰ কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত বৃহত্তৰ ভকত চাপৰিৰ কৃষকসকলে ৰবি খেতিৰ বতৰত ৰঙালাও খেতিৰে স্বাৱলম্বী হোৱাৰ লক্ষ্যৰে আজি বীজ ৰোপণ কাৰ্যসূচী আৰম্ভ কৰে। জিলাখনৰ প্ৰায় এশ বিঘা কৃষিভূমিত এই বীজ ৰোপণ কাৰ্যসূচী মাজুলীৰ বিধায়ক ভূৱন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে শুভাৰম্ভ কৰে। ভীমা প্ৰজাতিৰ অধিক উৎপাদনক্ষম এই ৰঙালাও খেতিৰ জৰিয়তে কৃষকসকল যথেষ্ট পৰিমাণে লাভান্বিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

গোৱালপাৰা জিলাৰ ধামৰ সংৰক্ষিত বনাঞ্চলত প্ৰশাসনৰ সহযোগত আজি বন বিভাগে উচ্ছেদ অভিযান চলাই প্ৰায় ৩০ হেক্টৰ ভূমি বেদখল মুক্ত কৰে। বন বিভাগে কিছুদিন পূৰ্বে বনাঞ্চলৰ ভূমিত অবৈধভাৱে বসবাস কৰা প্ৰায় ৭০টা পৰিয়ালক সেই স্থান ত্যাগ কৰিবলৈ জাননী প্ৰেৰণ কৰিছিল। এই উচ্ছেদ অভিযানৰ জৰিয়তে জিলাখনৰ লক্ষীপুৰ এলেকাৰ অন্তৰ্গত আটাইবোৰ বনাঞ্চল বেদখল মুক্ত হয় বুলি গোৱালপাৰাৰ বন সংমণ্ডল প্ৰাধিকাৰীয়ে জানিবলৈ দিছে।

০০০০০

অসম ক্ৰিকেট সন্থাই ২১ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ জয়পুৰত হবলগীয়া বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। শিৱশংকৰ ৰয়ক অধিনায়ক আৰু সুমিত ঘাড়িগাওকাৰক উপ-অধিনায়ক হিচাপে বাছনি কৰা হৈছে। দলৰ বাকী সদস্যসকলৰ ভিতৰত পাৰভেজ মুশ্বাৰফ, ঋষভ দাস, স্বৰূপম পুৰকায়স্থ, ডেনিছ দাস, ছাহিল জৈন, অভিষেক ঠাকুৰি, মৃণাল দত্ত, মুখতাৰ হুছেইন, আকাশ সেনগুপ্ত, ৰাহুল সিং, অভিনৱ চৌধুৰী, দৰ্শন ৰাজবংশী আৰু অনুৰাগ তালুকদাৰ আছে।

০০০০০

নগাঁও জিলাত আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হৈছে। নগাঁও ক্ৰীড়া সন্থাৰ নুৰুল আমিন খেলপথাৰত নগাঁও আৰু বটদ্ৰৱা বিধানসভা সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ হৈছে। ২০ ডিচেম্বৰলৈ হ'বলগীয়া

প্ৰতিযোগিতাখন আজি নগাঁৰৰ বিধায়ক ৰূপক শৰ্মাই উদ্বোধন কৰি খেলুৱৈসকলক উৎসাহিত কৰে। ৰহা বিধানসভা সমষ্টিৰ প্ৰতিযোগিতাসমূহ ৰহা ক্ৰীড়া সন্থাৰ খেলপথাৰত আৰু ৰূপহীহাট বিধানসভা সমষ্টিভিত্তিক দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ জুৰীয়া বজাৰৰ সমীপৱৰ্তী বগৰিগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হৈছে।

ooooo

অসম অপেচাদাৰী বক্সিং সন্থাৰ প্ৰাক্তন সভাপতি কালিকান্ত বড়োৰ আজি মৃত্যু হয়। ভাৰতীয় অপেচাদাৰী বক্সিং ফেডাৰেচনৰ কোষাধ্যক্ষৰ দায়িত্বত থকা প্ৰয়াত বড়োৱে ৰাজ্যত বক্সিং খেলৰ প্ৰসাৰত বৰঙণি আগবঢ়াই থৈ গৈছে।

ooooo

সমাপ্ত